**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 30-09-2025** **Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমীত দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হয়। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ মহা অষ্টমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিও মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত উপস্থিত হৈ দেৱী দুৰ্গাৰ আশীষ গ্ৰহণ কৰাৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ সৈতে মত বিনিময় কৰে। পুৱাৰ ভাগত তেওঁ কুমাৰপাৰাত থকা শান্তিসভা পূজাস্থলীত উপস্থিত হৈ দেৱী দুৰ্গাৰ সেৱা লয়। ইয়াৰ পাছতে গড়চুক সাৰ্বজনীন পূজা সমিতি, তেতেলীয়া সাৰ্বজনীন পূজা সমিতি, কটাহবাৰী, দঁতালপাৰা, ধীৰেণপাৰা আদি কেইবাখনো পূজা মণ্ডপত উপস্থিত হৈ মহাষ্টমীৰ পূজাত অংশগ্ৰহণ কৰে।

ধেমাজি জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰী তাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছে। জোনাই সমষ্টিৰ বিধায়ক ভূবন পেগুৱে আজি ঐতিহাসিক আই থানৰ পূজাত উপস্থিত হৈ দেৱীৰ আশীৰ্বাদ লয়। বিধায়কগৰাকীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত চাকি-বন্তি জ্বলাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়।

ধেমাজিৰ লগতে ডিব্ৰুগড়, লখিমপুৰ, বাক্সা, শোণিতপুৰ, নলবাৰীকে ধৰি বিভিন্ন জিলাত শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত হৈছে। আমালৈ অহা বাতৰিৰ অনুসৰি সকলোবোৰ পূজা মণ্ডপতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি পূজাৰ ৰীতি-নীতি আয়োজন কৰা হৈছে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা হৈছে। এই ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ বিষয়া দিল্লীত ঘটনাৰ অনুসন্ধানৰ বাবে উপস্থিত হয়। জুবিন গাৰ্গৰ আকস্মিক মৃত্যু সন্দৰ্ভত অসম চৰকাৰৰ আহ্বান মৰ্মে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে আনুষ্ঠানিকভাৱে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ

কৰিছে। এই কূটনৈতিক প্ৰক্ৰিয়াৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ইফালে, জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে অনুসন্ধান অব্যাহত ৰাখিছে। প্ৰয়াত শিল্পীগৰাকীৰ সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গক আজি বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। উল্লেখযোগ্য যে, ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে জুবিন গাৰ্গৰ সৈতে সন্দীপন গাৰ্গ একেলগে গৈছিল।

ইপিনে, জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গসহ পৰিয়ালৰ সদস্যসকলে প্ৰয়াত শিল্পীগৰাকীৰ চিতাভস্ম লৈ আজি যোৰহাটত উপস্থিত হয়। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত  চিতাভস্মখিনি ৰখা হৈছে। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলিৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰা আৰু অজন্ত নেওগে আজি যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সকলো দিশ নিৰীক্ষণ কৰে।

০০০০০০০

ধেমাজি জিলাৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি জিলা পৰিবহণ বিভাগ আৰু জিলা পথ সুৰক্ষা সমিতিয়ে চিলাপথাৰ নগৰত এলানি বাটৰ নাট প্ৰদৰ্শন কৰে। এই বাটৰ নাটৰ জৰিয়তে পথ সুৰক্ষাৰ নিৰ্দেশাৱলী জনসাধাৰণক মানি চলিবৰ বাবে সজাগ কৰাৰ প্ৰয়াস চলোৱা হয়। শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত যাতে কোনো ধৰণৰ পথ দুৰ্ঘটনা সংঘটিত নহয়, তাৰ প্ৰতি জনসাধাৰণক সচেতন কৰাৰ উদ্দেশ্যেৰে ধেমাজিৰ অন্যতম নাট্যগোষ্ঠী 'থিয়েটাৰি ৰং থিয়েটাৰি ছ্ঙ'ৰ শিল্পীসকলে পৰিৱেশন কৰা বাটৰ নাটে সকলোকে আপ্লুত কৰে।

০০০০০০০

আই চি চি মহিলা বিশ্বকাপ এদিনীয়া ক্ৰিকেটৰ উদ্বোধনী  খেলত  আজি ভাৰতে-শ্ৰীলংকাক জয়ৰ বাবে ২৭১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত অনুষ্ঠিত উদ্বোধনী খেলখন বৰষুণৰ বাবে দুবাৰকৈ বিঘ্নিত হোৱাৰ পৰিপ্ৰেক্ষিতত ৪৭ অ'ভাৰলৈ সীমিত কৰা হয়। টছত জিকি শ্ৰীলংকাই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতৰ হৈ অমনজৌত কৌৰে সৰ্বাধিক ৫৬ টা বলত ৫৭ ৰান আৰু আৰু দিপ্তী শৰ্মাই ৫৩ টা বলত ৫৩ ৰান কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে শ্ৰীলংকাই ১৪ অ'ভাৰত,১উইকেট হেৰুৱাই ৮১ ৰান সংগ্ৰহ কৰি খেলি আছে।

উদ্বোধনী অনুষ্ঠানত কেইবাগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পীয়ে সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ গীতেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বলিউদৰ বিশিষ্ট কণ্ঠশিল্পী শ্ৰেয়া ঘোষালে জুবিন গাৰ্গৰ মায়াবিনী গীতটোৰে শ্ৰদ্ধাঞ্জলি জনায়।

০০০০০০০

সমাপ্ত